অসম বিধান সভা

*তৰা চিহ্নীত প্ৰশ্ন নং : ২২২

উত্তৰ দিবলগীয়া তাৰিখ : ২৭/০৭/২০২৬

বিষয় : **অসম মালাৰ পথ নিৰ্মাণৰ অগ্ৰতিৰ সম্পৰ্কে ।**

বিধায়ক : শ্ৰী সুৰেণ ফুকন :

মাননীয় লোক নিৰ্মাণ (পথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ডিগবৈ সমষ্টিৰ অন্তৰ্গত ডিৰাক সোনজান হৈ মাধৱপুৰ, বিজুলীবনলৈকে এটি অসম মালাৰ পথ ২০২২ চনতে বৃহত্তৰ অঞ্চলটোৰ জনতাই লাভ কৰিছিল কিন্তু বৰ্তমানো বি আই পি এল নামৰ ঠিকাদাৰ সংস্থাই পথচোৰাৰ কাম সম্পূৰ্ণ নকৰাটো চৰকাৰ অৱগত নে ?

(খ) এই পথচোৰা বৰ্তমানলৈকে নিৰ্মাণৰ কাম কিমান শতাংশ আগবাঢ়িছে জনাব।

(গ) পথচোৰা সম্পূৰ্ণ কৰি তুলি মুকলি কৰাৰ বাবে বিভাগীয়ভাৱে বান্ধি দিয়া সময় কিমান আছিল জনাব। পথচোৰাৰ নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ আৰু কিমান দিনৰ প্ৰয়োজন হ'ব জনাব।

(ঘ) পথচোৰা নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণ কৰা সকলো পৰিয়ালকে ক্ষতিপূৰণ প্ৰদান কৰা হ'ল নেকি ? যদি কোনো পৰিয়াল বাকী আছে, সংখ্যা সহ উল্লেখ কৰি এই পৰিয়াল সমূহে কেতিয়ালৈ ক্ষতিপূৰণ লাভ কৰিব জনাব ।

::উত্তৰ::

মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :

(ক) হয়, অৱগত।

(খ) এই পথচোৰাৰ বৰ্তমানলৈকে নিৰ্মাণৰ কাম প্ৰায় ৪১.৫% আগবাঢ়িছে।

(গ) এই পথচোৰা সম্পূৰ্ন কৰি তুলি মুকলি কৰাৰ বাবে বিভাগীয় ভাৱে ২৭/০৪/২০২৫ লৈ সময় দিয়া হৈছিল । আৰু এই সময়সীমা ৩০/০৬/২০২৬ লৈ বঢ়াই দিয়া হৈছিল। পথচোৰা সম্পূৰ্ণভাৱে নিৰ্মাণ কৰিবৰ বাবে ৩১/১২/২০২৬ লৈ সময়ৰ প্ৰয়োজন হব ।

(ঘ) পথচোৰা নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহন কৰা সকলো পৰিয়ালকে ক্ষতিপূৰণ দিয়া হোৱা নাই । কাৰ্য্যবাহী অভিযন্তা (ডিগবৈ, মাৰ্ঘেৰিটা) পথ সংমণ্ডলৰ পৰা লাভ কৰা তথ্য অনুসৰি মুঠ ৬৫ টা পৰিয়ালক ক্ষতিপূৰণ দিব বাকী আছে। এই ক্ষতিপূৰণ প্ৰদান কৰাৰ কাম ক্ষিপ্ৰতাৰে চলি আছে । ভূমি অধিগ্ৰহণ কৰিবৰ বাবে চৰকাৰী আৰু বেচৰকাৰী ভূমি ধৰি সৰ্বমুঠ ৮৮২ ডোখৰ ভূমিত ৭৫,৮৭,৪২,৯৪২.০০ টকা ক্ষতিপূৰণ দিবলগা আছিল আৰু তাৰে ৮১৭ ডোখৰ ভূমিত ৭৪,৭৪,৮২,০৫৫.০০ টকা ক্ষতিপূৰণ প্ৰদান কৰা হল।

বাকী থকা ৬৫ ডোখৰ ভূমিৰ গৰকীসকলৰ ব্যক্তিগত কাগজ পত্ৰ আদিৰ কিছু খেলিমেলিৰ কাৰণে জিলা আয়ুক্ত মহোদয়ৰ কাৰ্যালয় পৰা বৰ্তমানলৈ ১,১২,৬০,৮৮৭.০০ টকা ক্ষতিপূৰণ প্ৰদান কৰিব পৰা নাই যদিও এই ক্ষেত্ৰত কাম ক্ষিপ্ৰতাৰে চলি আছে। বৰ্তমান ক্ষতিপূৰণ প্ৰদানৰ অগ্ৰগতি ৯৮.৫২ শতাংশ।

The reply uploaded in the portal

---000---